অধ্যায় ১১ঃ অসমৰ বিদ্রোহাৰস্থা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ সশস্ত্র বিদ্রোহৰ অর্থ; অসমত সশস্ত্র বিদ্রোহ বৃদ্ধিৰ আঁৰৰ কাৰকসমূহ
  ১১.৩.১ সশস্ত্র বিদ্রোহৰ অর্থ
  ১১.৩.২ অসমৰ বিদ্রোহাৰস্থাৰ বিকাশৰ কাৰকসমূহ
১১.৪ অসমৰ বিদ্রোহী সংগঠন ঃ আলফা (ULFA) আৰু এন ডি এফ বি (NDFB)
  ১১.৪.১ ইউনাইটেড লিবাৰেচন ফ্রণ্ট অব্ আসাম (ULFA)
  ১১.৪.২ নেচনেল ডেম'ক্রেটিক ফ্রণ্ট অব্ বড়োলেণ্ড (NDFB)
১১.৫ বিদ্রোহী সমস্যা সমাধানৰ কিছুমান প্রত্যাক্রিত সমাধান
১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৭ অধিক জানিবলৈ
১১.৮ অগ্রগতিৰ খতিয়ানৰ উত্তৰ
১১.৯ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সশস্ত্র বিদ্রোহৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- অসমৰ বিদ্রোহাৰস্থাৰ বিকাশৰ কাৰণসমূহ ব্যাখ্যা কৰিব পাৰিব
- অসমৰ দুটা গুৰুত্বপূর্ণ বিদ্রোহী সংগঠন— আলফা (ULFA), আৰু (NDFB)ৰ বিষয়ে আলোচনা কৰিব পাৰিব
- বিদ্রোহ সমস্যাৰ সমাধানৰ কিছুমান প্রত্যাক্রিত সমাধান আলোচনা কৰিব পাৰিব।

১১.২ পৰিচয়

অসমৰ কিছুমান দল-সংগঠনে বিচ্ছিন্নতা, পৃথক ৰাজ্য, স্বায়ত্ব শাসন আৰু জনজাতিৰ মর্যাদা আদিৰ দাবী সময়ে সময়ে উত্থাপন কৰি আহিছে। প্রায়েই সুকীয়া গৃহভূমি বিচাৰি উত্থাপন কৰা দাবীৰ সৈতে হিংসাত্মক কার্যকলাপ জড়িত থকাটো পৰিলক্ষিত হয়। বিচ্ছিন্নতা আৰু পৃথক ৰাজ্য বিচাৰি কৰা দাবীৰ দৰে কিছুমান নির্দিষ্ট দাবীৰ প্রত্যক্ষ লক্ষ্য হ'ল ৰাষ্ট্রৰ প্রতিষ্ঠিত কর্তৃপক্ষ। সেয়েহে এই দাবীৰ সৈতে জড়িত কার্যকলাপবোৰে উগ্রপন্থাৰ ৰূপ লয়। ১৯৭০ ৰ দশকটোৰ শেষৰফালে অসমত এনে বহুতো উগ্রপন্থা সমর্থনকাৰী সংগঠনৰ উত্থান ঘটিছিল যিবোৰ এতিয়াও ৰাজ্যখনত সক্রিয় হৈ আছে। এনে সংগঠন কেইটামান হ'ল — ULFA, NDFB, MULTA, KPLT, আদিবাসী নেশ্যনেল লিবাৰেশ্যন আর্মি আৰু KLNLF। ইয়াৰে বেছিভাগ দল-

সশস্ত্র বিদ্রোহী। ভাৰতৰ উত্তৰ-পূৱ অঞ্চলটোৱেও এক সুদীর্ঘকাল সশস্ত্র বিদ্রোহে জন্ম দিয়া বিভিন্ন সংঘাতৰ মুখামুখি হ'বলগীয়া হৈছে।

গেৰিলা যুদ্ধ, বোমা বিস্ফোৰণ, সামৰিক অভিযান আৰু স্থানীয় বাসিন্দাৰ ওপৰত সশস্ত্র বিদ্রোহী গোটবোৰে চলোৱা অযুক্তিকৰ অত্যাচাৰৰ দ্বাৰা প্রভাৱিত ৰাজ্যবোৰৰ এখন হ'ল অসম।

অসমৰ কিছুমান গুৰুত্বপূর্ণ সক্রিয় বিদ্রোহী গোট হ'ল —

- ইউনাইটেড লিবাৰেচন ফ্রণ্ট অব্ আসাম -আলফা(ULFA)
- নেচনেল ডেম'ক্রেটিক ফ্রণ্ট অব্ বড়োলেণ্ড(NDFB)
- কমতাপুৰ লিবাৰেশ্যন অর্গেনাইজেশ্বন(KLO)
- কার্বি লংৰি নর্থ কাছাৰ হিলচ লিবাৰেশ্যন ফ্রণ্ট (KLNLF)
- ইউনাইটেড পিপ'লচ ডেম'ক্রেটিক্ চলিদাৰিতি(UPDS)

অসমত বিংশ শতিকাৰ তৃতীয় দশকৰ পৰাই বিচ্ছিন্নতাবাদে গা কৰি উঠিছিল। সেই সময়ত ৰাজ্যখন গৱর্ণৰৰ প্রভিঞ্চ আছিল। তেতিয়াই অবৈধ প্রব্রজনৰ ফলস্বৰূপে ইয়াৰ জন সমুদায় সংখ্যালঘু হোৱাৰ শংকা ঘনীভূত হৈছিল। ঔপনিৱেশিক শাসনকালত গ্রহণ কৰা চৰকাৰী নীতি যিয়ে অসমৰ ভৌগোলিক, সংস্কৃতিক আৰু উন্নয়নৰ স্বার্থত বিৰূপ প্রভাৱ পেলাইছিল। এনেকুৱা ঐতিহাসিক অভিজ্ঞতাৰ ভিত্তিত আৰু কেন্দ্রীয় চৰকাৰৰ অসমৰ সমস্যাসমূহৰ প্রতি থকা উদাসীনতাই সমস্যাটো অধিক জটিল কৰি তুলিছিল। ভাৰত বিভাজন আৰু গ্রুপিং পৰিকল্পনাই অসমীয়া মানুহক তেওঁলোকৰ ভাগ্য আৰু ভৱিষ্যৎ সম্পর্কে অধিক সন্দিহান কৰি তুলিছিল। ই অসমৰ অবৈধ প্রব্রজন সমস্যা আৰু ভাষা সমস্যাৰ জৱিয়তে অধিক গুৰুতৰ ৰূপ লাভ কৰি বিংশ শতিকা আশীৰ দশকত অসম আন্দোলনৰ জৱিয়তে অসম জ্বলি উঠে। এই সময়ছোৱাত আলফা নামৰ বিদ্রোহী গোটটোৰ জন্ম হৈছিল।

আকৌ অসমীয়া ভাষী লোকৰ ক্রমবর্ধমান আধিপত্যৰ ফলত অসমৰ বড়ো লোকসকলে তেওঁলোকৰ সাংস্কৃতিক আৰু জাতিগত পৰিচয় হেৰুওৱাৰ উপক্রম হৈছে বুলি অনুভৱ কৰিছিল। সেয়েহে বড়ো সংস্কৃতি আৰু জাতিগত পৰিচয় ৰক্ষা কৰি পুনৰুজ্জীৱিত কৰিবলৈ তথা ভূমি পৃথকীকৰণৰ বিষয়টি সমাধানৰ বাবে বড়ো আন্দোলন আৰম্ভ হৈছিল। সদৌ বড়ো ছাত্র সন্থা (ABSU), Bodo People's Action Committee (BPAC) আৰু Bodo Security Force এ 'বড়োলেণ্ড' নামৰ পৃথক বড়ো ৰাজ্যৰ দাবী উত্থাপন কৰিছিল। BLT গোটটোৱে পৰৱর্তী সময়ত অসম চৰকাৰৰ সৈতে বুজাবুজিত উপনীত হৈ অসমৰ ভিতৰতে BTAD নামৰ এখন পৃথক ৰাজনৈতিক ক্ষেত্রৰ গঠন কৰিছিল। অৱশ্যে NDFB এ পৃথক ৰাজ্যৰ দাবীত অটল হৈ থাকিল।

১১.৩.২ অসমৰ বিদ্রোহাৰস্থাৰ বিকাশৰ কাৰকসমূহ

পূর্বৰ অসমৰ আৰু বর্তমানৰ উত্তৰ-পূর্বাঞ্চলৰ লগত ভাৰতৰ মূল ভূ-খণ্ডৰ যথেষ্ট সীমিত যোগাযোগ আছিল। বিংশ শতিকাৰ সপ্তম আৰু অষ্টম ৰ দশকত ভাৰতৰ মূল ভূ-খণ্ডৰ লগত এই অংশটোৰ সম্পর্ক প্রায় নাছিল। অসমৰ লগত ভাৰতৰ অন্য প্রান্তৰ যোগাযোগ এটা মাত্র 23 কি.মি. দীঘল পথেৰে সম্ভৰ হৈছিল। ৰাষ্ট্রীয় প্রেক্ষাপটৰ তুলনাত অসম অধিক আন্তঃৰাষ্ট্রীয় সীমাৰে পৰিৱেষ্টিত হৈ আছে। যেতিয়া পূর্বৰ অসম সাতখন ৰাজ্যত বিভাজিত হৈছিল, তেতিয়া উত্তৰ-পূর্বাঞ্চলৰ সৈতে যোগাযোগ স্থাপনৰ ক্ষেত্রত

সম্ভাৱনীয়তাক পূৰ্ণ ৰূপত ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত ধাৰাবাহিকভাৱে চৰকাৰ ব্যৰ্থ হৈ অহা পৰিলক্ষিত হৈছে। তেল, কয়লা, কাঠ আৰু খনিজ সম্পদসমূহ অঞ্চলটোৰ জনসাধাৰণৰ কল্যাণৰ বাবে ব্যৱহাৰ কৰাৰ সলনি কেৱল প্ৰাকৃতিক সম্পদসমূহ আহৰণ কৰাৰ প্ৰতিহে চৰকাৰ আগ্ৰহী। ৰাজ্যখনৰ প্ৰতি চৰকাৰৰ এই 'মাহীআই' সদৃশ দৃষ্টিৰ প্ৰতি তীব্ৰ আক্ৰোশৰ সৃষ্টি হৈছিল। সেয়েহে বহুতো যুৱকে বিদ্রোহ আৰু সশস্ত্ৰ সংগ্ৰামৰ পথত খোজ দিছে।

ঙ) **বিদেশী ৰাষ্ট্ৰৰ সমৰ্থন** - বিভিন্ন সময়ত বাংলাদেশ, ভূটান, চীন, ম্যানমাৰ, পাকিস্তান আদি দেশে এই বিদ্রোহীসকলক সহায় আগবঢ়াই অহা পৰিলক্ষিত হৈছে। তেওঁলোকে বিদ্রোহী সংগঠনবোৰক জ্ঞাত আৰু অজ্ঞাতভাৱেই আশ্ৰয় প্ৰদান কৰা কাৰ্যই সমস্যাক অধিক তীব্ৰ কৰি তুলিছে। এই দেশসমূহৰ একাংশই আনকি সংগঠনবোৰক অস্ত্ৰ আৰু অৰ্থ যোগান ধৰাৰ লগতে প্ৰশিক্ষণ ক্ষেত্ৰ আগবঢ়াই আহিছে। যিবোৰে তেওঁলোকক সক্ৰিয় কৰি ৰখাত সহায় কৰিছে।

চ) **মানৱ অধিকাৰ ভংগ** - অঞ্চলটোত অবিৰতভাৱে চলি থকা বিবাদ তথা দ্বন্দ্বৰ বাবে সেনা, BSF, ITBP, CRPF আদিৰ দৰে বিদ্রোহ বিৰোধী গোটৰ নিয়োগ কৰা হৈছে। বিদ্রোহ দমনৰ বাবে চলোৱা অভিযানবোৰত ক্ৰমবৰ্ধমান মানৱ অধিকাৰ ভংগৰ ঘটনা পৰিলক্ষিত হৈছে আৰু এই অভিযানবোৰত বহুতো যুৱক-যুৱতীৰ ওপৰত শাৰীৰিক অত্যাচাৰ চলোৱা দেখা গৈছে। এই ঘটনাবোৰৰ পৰিণতিত জনসাধাৰণ আৰু চৰকাৰৰ মাজত অবিশ্বাসৰ ভাবৰ সৃষ্টি হৈছে। এই অৱস্থাই জনমতক নিজৰ সপক্ষে পৰিচালিত কৰিবলৈ বিচৰা বিদ্রোহীসকলক যথেষ্ট সহায় কৰিছে। সৈন্যবাহিনীৰ হাতত নিৰ্যাতিত বহুলোকে বিদ্রোহী সংগঠনত যোগ দিয়া কাৰ্যই সংগঠনবোৰৰ গাঁথনি অধিক শক্তিশালী কৰি তুলিছে।

ছ) **চৰকাৰৰ ব্যৰ্থতা** - ভাৰতৰ কেন্দ্ৰীয় চৰকাৰে এই অঞ্চলটোৰ সমস্যাসমূহ উপলব্ধি কৰাত নিৰন্তৰ ব্যৰ্থ হৈ আহিছে। বিদ্রোহী সংগঠনসকলৰ লগত হোৱা অধিকাংশ দ্বিপাক্ষিক বা ত্ৰিপাক্ষিক আলোচনাই কোনো ফলাফল প্ৰদান কৰিব পৰা নাই। প্ৰকৃততে চৰকাৰে সামগ্ৰিকভাৱে জনসাধাৰণৰ মনোভাৱ বুজি পোৱাত ব্যৰ্থ হৈছে। অঞ্চলটোৰ বিদ্রোহমূলক অৱস্থাৰ সুদূৰপ্ৰসাৰী সমাধান উলিওৱাত চৰকাৰ ব্যৰ্থতাই বিদ্রোহী সংগঠনবোৰক অধিক সক্ৰিয়হে কৰি তুলিছে।

জ) **নিহিত স্বাৰ্থ আৰু বিদ্রোহীসকলৰ মাজত পাৰস্পৰিক বুজাবুজি** - সময়ে-সময়ে এই মাত্ৰা প্ৰদান কৰা হয় যে নিৰ্দিষ্ট স্বাৰ্থযুক্ত দল কিছুমানেও বিদ্রোহী কাম-কাজ সক্ৰিয় হৈ থকাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁলোকে অৰ্থ আৰু আশ্ৰয় প্ৰদান কৰাৰ লগতে ৰাজনৈতিক লাভালাভৰ বাবে বিদ্রোহী দলবোৰক জড়িত কৰায় আৰু ব্যৱহাৰ কৰে।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ বিদ্রোহাৰস্থা বুলিলে কি বুজায়?

.....

.....

প্ৰশ্ন ২ ঃ অসমত সক্ৰিয় হৈ থকা চাৰিটা বিদ্রোহী সংগঠনৰ নাম লিখক।

.....

.....

.....

সম্পাদক' মিথিংগা দৈমাৰীয়ে ঘোষণা কৰিছিল যে সংগঠনটোৰ কেন্দ্রীয় কার্যবাহী পৰিষদে কেন্দ্রীয় চৰকাৰৰ সৈতে কোনো পূর্বচর্ত অবিহনে আলোচনাত বহিব। মন কৰিবলগীয়া যে এই আলোচনাক আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱাই সমর্থন জনোৱা নাছিল আৰু সাধাৰণ পৰিষদক অসাংবিধানিক আখ্যা দিছিল। গতিকে আলফাত এক ভাঙোনৰ সৃষ্টি হৈ ক্রমে পৰেশ বৰুৱা নেতৃত্বাধীন আলফা-আলোচনাবিৰোধী (ULFA-ATP) আৰু অৰবিন্দ ৰাজখোৱা নেতৃত্বাধীন আলফা-আলোচনাপন্থী (ULFA-PTF) - এই দুটা ভাগত বিভক্ত হৈ পৰিছিল। পৰেশ বৰুৱাৰ নেতৃত্বত গঠন হোৱা গোটটোক আলফা স্বাধীন (ULFA Independent) বুলি জনা যায়।

শেহতীয়াকৈ সংগঠনটো ক্রমে দুর্বল হৈ পৰিছে। বহুতো সদস্যই ইতিমধ্যে আত্মসমর্পণ কৰি তেওঁলোকৰ নেতাসকলৰ লগত মূলসুঁতিলৈ ঘূৰি আহিছে। অনুপ চেতিয়াৰ দৰে শক্তিশালী সদস্যক গ্রেপ্তাৰ কৰা হৈছে আৰু সংগঠনটোলৈ যোৱা সদস্যৰ সংখ্যাও ক্রমে কমি আহিছে। সংগঠনটোৱে গ্রহণ কৰা হিংসাত্মক পথৰ প্রতি জনসাধাৰণৰ মনত সৃষ্টি হোৱা অনাসক্তিৰ ফলতো সংগঠনটোৱে পূর্বে মানুহৰ পৰা লাভ কৰা সমর্থন ক্রমে হ্রাস পাই আহিছে। সমসাময়িক সময়ত, সামৰিক পন্থাৰ সলনি পৰিৱর্তিন ৰাজনৈতিক ব্যৱস্থাৰ ভিত্তিত শান্তিপূর্ণ সমাধানৰ দিশটোৱে অধিক গুৰুত্ব পাইছে।

১১.৪.২ নেচনেল ডেম'ক্রেটিক ফ্রণ্ট অব্ বড়োলেণ্ড (NDFB)

অসমত বাস কৰা বড়ো লোকসকলৰ পৰিচয় আৰু সুৰক্ষাৰ ৰক্ষণাবেক্ষণ আৰু ভাৰতৰ ভিতৰতে পৃথক বড়োলেণ্ড ৰাজ্য গঠনৰ দাবীত 1986 চনৰ অক্টোৱৰ মাহৰ 3 তাৰিখে ৰঞ্জন দৈমাৰীয়ে ওদালগুৰিৰ ওচৰৰ ওদলা কাশীবাৰী গাঁৱত Bodo Security Force (BdSF) নামৰ এটা সশস্ত্র সংগঠন গঠন কৰিছিল। ভাৰত চৰকাৰ আৰু সদৌ বড়ো ছাত্র সন্থা (ABSU), Bodo Peoples' Action Committee (BPAC) ৰ মাজত স্বাক্ষৰিত বড়ো চুক্তি বাতিল হোৱাৰ পিছত 1994 চনৰ 25 নৱেম্বৰত এই সংগঠনটো NDFB নামেৰে নামকৰণ কৰা হয়। BdSF ক NDFB নামেৰে নামকৰণ কৰাৰ পিছত সংগঠনটোৱে গে�ৰিলা যুদ্ধ আৰম্ভ কৰিছিল। সংগঠনটোৰ আদর্শ হ'ল জাতিভিত্তিক জাতীয়তাবাদ, মার্ক্সবাদ, সমাজবাদ আৰু গণতন্ত্র। এই সংগঠনটোৱে উত্তৰ-পূর্বাঞ্চলৰ বিভিন্ন বিচ্ছিন্নতাবাদীৰ সংগঠন UNLFW ৰ প্রতি আনুগত্য প্রকাশ কৰিছে। NDFB ৰ নেশ্বনেল কাউন্সিল (ৰাজনৈতিক বিভাগ) আৰু বড়োলেণ্ড আর্মি (সশস্ত্র বিভাগ) নামৰ দুটা বিভাগ আছে। 2003 চনত ভাৰতীয় সেনাই অপাৰেচন অল ক্লিয়াৰ অভিযান চলোৱাৰ পিছত NDFB এ যুদ্ধবিৰতি ঘোষণা কৰে আৰু 2004 চনত চৰকাৰৰ সৈতে আলোচনাত মিলিত হ'বলৈ সন্মতি প্রকাশ কৰে। পৰৱর্তী সময়ত NDFB দুটা ভাগত বিভাজিত হৈ পৰে। সেই দুটা হ'ল ৰঞ্জন দৈমাৰী ওৰফেডি.আৰ.নাবলাৰ নেতৃত্বত NDFB প্রগতিশীল। এই সংগঠনটোৰ মুখ্য কার্যালয় ম্যানমাৰত আছে। সংগঠনটোৰ বর্তমানৰ কর্মক্ষেত্রসমূহ হ'ল অসমৰ উত্তৰ আৰু উত্তৰ পশ্চিমাঞ্চল (বঙাইগাঁও, কোকৰাঝাৰ, দৰং, বৰপেটা, ধুবুৰী, নলবাৰী আৰু শোণিতপুৰ জিলা) আৰু মেঘালয়ৰ গাৰো পাহাৰ। শেহতীয়াভাৱে, ম্যানমাৰৰ সেনাই NDFB আৰু আলফাকে ধৰি ম্যানমাৰত সক্রিয় হৈ থকা ভাৰতীয় বিদ্রোহী সংগঠনসমূহৰ বিপক্ষে আক্রমণাত্মক অভিযান চলায়।

বিগত সময়চোৱাত NDFB মূল উদ্দেশ্যৰপৰা ফালৰি কাটি অহা পৰিলক্ষিত হৈছে আৰু আলফাৰ সৈতে এক সহযোগিতামূলক বুজাবুজিত উপনীত হৈছে। 1999 চনত, আলফা আৰু NDFB এ এখন সহযোগী কমিটি গঠন কৰি সংযুক্ত সংগ্রামৰ আৰম্ভ কৰিছিল। NDFB এ NSCN(IM) ৰ সৈতেও কাম কৰিছিল। NDFB এ আৰম্ভণিৰ পৰা অনুসৰণ কৰি অহা আদর্শসমূহ সমসাময়িক সংগঠন যেনে

- প্রশাসন যন্ত্রৰ শাসন আৰু বিতৰণ ব্যৱস্থাটো ধনীসকলৰ সলনি দুখীয়াসকলৰ বাবে উপলব্ধ হোৱা উচিত।
- বিদ্রোহৰ বিপক্ষে অভিযান আৰু সেনাবাহিনী প্রয়োগৰ দৰে সিদ্ধান্ত এৰাই চলিব লাগে আৰু অন্তিম উপায় হিচাপেহে এনে সিদ্ধান্ত গ্রহণ কৰিব লাগে।
- সশস্ত্র সংগঠনসমূহেও যুক্তিপূর্ণ দাবী উত্থাপন কৰিব লাগে যিহেতু সার্বভৌমত্বৰ দাবী অযুক্তিপূর্ণ হিচাপে বিবেচিত।
- সমস্যাসমূহৰ সঠিক ৰাজনৈতিক সমাধানৰ বাবে চৰকাৰ সুস্পষ্ট হ'ব লাগে আৰু উত্তেজনা সৃষ্টিৰপৰা বিৰত থাকিব লাগে।
- তথ্য বা সংবাদৰ আদান-প্রদান, সন্ত্রাসবাদীসকলৰ বিৰুদ্ধে তদন্ত আৰু অভিযানৰ ক্ষেত্রত ৰাজ্যিক আৰক্ষী আৰু কেন্দ্রীয় সেনাবাহিনীয়ে সম-সহযোগিতাৰে কার্য সম্পাদন কৰিব লাগে যাতে লাভ কৰা তথ্যসমূহ বিশ্বাসযোগ্য হয় আৰু জনসাধাৰণ আৰু বিদ্রোহী সংগঠনৰ মাজত কোনো দোদুল্যমান অৱস্থাৰ সৃষ্টি নকৰে।
- তদুপৰি কার্যকৰী হৈ থকা স্বায়ত্বশাসিত পৰিষদসমূহ শক্তিশালী কৰিব লাগে।
- প্রব্রজনকাৰী, বনুৱাসকলক 'ৰর্ক পার্মিট' প্রদান কৰিব লাগে।
- উত্তৰ পূর্বাঞ্চল উন্নয়ন মন্ত্রালয় (DONER) আৰু উত্তৰ পূব পৰিষদ (NEC) এ উন্নয়নকাৰী আঁচনিসমূহক সঠিকভাৱে ৰূপায়ণ কৰিব লাগে।
- কেন্দ্রই এই অঞ্চলটোৰ লোকসকলৰ সাংস্কৃতিক আবেগত সচেতনভাবে অনুভৱ কৰি তেওঁলোকৰ সামাজিক-সাংস্কৃতিক আকাংক্ষাসমূহ পূৰণ কৰিবলৈ চেষ্টা কৰাটো অতি প্রয়োজনীয়।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ অসমৰ বিদ্রোহাৱস্থাৰ যিকোনো দুটা সমাধান উল্লেখ কৰক।

.....

.....

.....

2 ১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- সশস্ত্র বিদ্রোহৰ শাব্দিক অর্থ হ'ল কোনো প্রতিষ্ঠিত কর্তৃপক্ষৰ বিৰুদ্ধে অস্ত্র-শস্ত্র ব্যৱহাৰ কৰি চলোৱা এক ধৰণৰ বিদ্রোহ। সশস্ত্র বিদ্রোহী সংগঠনবোৰে বিভিন্ন কৌশল অৱলম্বন কৰি প্রতিষ্ঠিত চৰকাৰ একোখনক ক্ষমতাৰ পৰা অপসাৰিত কৰাৰ লক্ষ্যেৰে কাম কৰি যায়।
- এনে কৌশল দুটামান হ'ল- সশস্ত্র বিদ্রোহ আৰু ৰাজনৈতিক উদ্দেশ্যেৰে পৰিচালিত গেৰিলা যুদ্ধ। সশস্ত্র বিদ্রোহী সংগঠনবোৰে ভাবে যে তেওঁলোকৰ বাসভূমি 'ৰাজনৈতিক তথা অর্থনৈতিক দখল'ৰ অধীন হৈ পৰিছে।
- সাধাৰণতে এনে সংগঠনবোৰে নিজৰ অঞ্চলটোক সংখ্যাগৰিষ্ঠতাবাদী ৰাষ্ট্রই কেনেকৈ অর্থনৈতিক,

পৰিষদে কেন্দ্রীয় চৰকাৰৰ সৈতে কোনো পূর্বচর্ত অবিহনে আলোচনাত বহিব। মন কৰিবলগীয়া যে এই আলোচনাক আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱাই সমর্থন জনোৱা নাছিল আৰু সাধাৰণ পৰিষদক অসাংবিধানিক আখ্যা দিছিল। গতিকে আলফাত এক ভাঙোনৰ সৃষ্টি হৈ ক্রমে পৰেশ বৰুৱা নেতৃত্বাধীন আলফা-আলোচনাবিৰোধী (ULFA-ATP) আৰু অৰবিন্দ ৰাজখোৱা নেতৃত্বাধীন আলফা-আলোচনাপন্থী (ULFA-PTF) - এই দুটা ভাগত বিভক্ত হৈ পৰিছিল।

- অসমত বাস কৰা বড়ো লোকসকলৰ পৰিচয় আৰু সুৰক্ষাৰ ৰক্ষণাবেক্ষণ আৰু ভাৰতৰ ভিতৰতে পৃথক বড়োলেণ্ড ৰাজ্য গঠনৰ দাবীত 1986 চনৰ অক্টোৱৰ মাহৰ 3 তাৰিখে ৰঞ্জন দৈমাৰীয়ে ওদালগুৰিৰ ওচৰৰ ওদলা কাশীবাৰী গাঁৱত Bodo Security Force (BdSF) নামৰ এটা সশস্ত্র সংগঠন গঠন কৰিছিল।
- বড়ো চুক্তি বাতিল হোৱাৰ পিছত 1994 চনৰ 25 নৱেম্বৰত এই সংগঠনটো NDFB নামেৰে নামকৰণ কৰা হয়। BdSF ক NDFB নামেৰে নামকৰণ কৰাৰ পিছত সংগঠনটোৱে গেৰিলা যুদ্ধ আৰম্ভ কৰিছিল। সংগঠনটোৰ আদর্শ হ'ল জাতিভিত্তিক জাতীয়তাবাদ, মার্ক্সবাদ, সমাজবাদ আৰু গণতন্ত্র।
- পৰৱর্তী সময়ত NDFB দুটা ভাগত বিভাজিত হৈ পৰে। সেই দুটা হ'ল ৰঞ্জন দৈমাৰীৰ ওৰফে ডি.আৰ.নাবলাৰ নেতৃত্বত NDFB প্রগতিশীল। 2012 চনত NDFB নাবলা গোটটো পুনৰ বিভাজন হৈ এগৰাকী অবড়ো আই কে সংবিজিতৰ নেতৃত্বত নতুন গোটৰ সৃষ্টি হয়।
- বিদ্রোহী সমস্যা সমাধানৰ কিছুমান প্রত্যাক্রিত সমাধান হ'ল —উপলব্ধ সম্পদসমূহ ব্যৱহাৰ কৰি দ্রুত অর্থনৈতিক বিকাশ সম্ভৱ কৰি তুলিব লাগে, প্রশাসন যন্ত্রৰ শাসন আৰু বিতৰণ ব্যৱস্থাটো ধনীসকলৰ সলনি দুখীয়াসকলৰ বাবে উপলব্ধ হোৱা উচিত, বিদ্রোহৰ বিপক্ষে অভিযান আৰু সেনাবাহিনী প্রয়োগৰ দৰে সিদ্ধান্ত এৰাই চলিব লাগে আৰু অন্তিম উপায় হিচাপেহে এনে সিদ্ধান্ত গ্রহণ কৰিব লাগে, সশস্ত্র সংগঠনসমূহেও যুক্তিপূর্ণ দাবী উত্থাপন কৰিব লাগে যিহেতু সার্বভৌমত্বৰ দাবী অযুক্তিপূর্ণ হিচাপে বিবেচিত, ইত্যাদি।

১১.৭ অধিক জানিবলৈ

1. Baruah, Sanjib. (2001). *India Against Itself*. New Delhi: Oxford University Press.
2. Bhattacharjee .J.B.(2007). *Roots of Insurgency in Northeast India*. New Delhi : Akansha Pulishing House.

১১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সশস্ত্র বিদ্রোহৰ শাব্দিক অর্থ হ'ল কোনো প্রতিষ্ঠিত কর্তৃপক্ষৰ বিৰুদ্ধে অস্ত্র-শস্ত্র ব্যৱহাৰ কৰি চলোৱা এক ধৰণৰ বিদ্রোহ। সশস্ত্র বিদ্রোহী সংগঠনবোৰে বিভিন্ন কৌশল অৱলম্বন কৰি প্রতিষ্ঠিত চৰকাৰ একোখনক ক্ষমতাৰ পৰা অপসাৰিত কৰাৰ লক্ষ্যেৰে কাম কৰি যায়। এনে কৌশল দুটামান হ'ল- সশস্ত্র বিদ্রোহ আৰু ৰাজনৈতিক উদ্দেশ্যেৰে পৰিচালিত "গেৰিলা যুদ্ধ"।